জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৮৫৯/২০২০**

# সত্ৰীয়া সংস্কৃতিৰ বিশিষ্ট সাধক, ভাৰতীয় ধ্ৰুপদী নৃত্যৰ বিশেষজ্ঞ, মাধৱদেৱ বঁটা প্ৰাপক, পদ্মশ্ৰী সুনীল কোঠাৰীৰ বিয়োগত মুখ্যমন্ত্ৰী সোণোৱালৰ গভীৰ শোক প্ৰকাশ

**দিছপুৰ, ২৭ ডিচেম্বৰ ঃ** সত্ৰীয়া সংস্কৃতিৰ বিশিষ্ট সাধক, ভাৰতীয় ধ্ৰুপদী নৃত্যৰ বিশেষজ্ঞ, মাধৱদেৱ বঁটা প্ৰাপক, পদ্মশ্ৰী সুনীল কোঠাৰীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত প্ৰয়াত সুনীল কোঠাৰীয়ে আমাৰ সাংস্কৃতিক জগতলৈ যি অনন্য বৰঙনি যোগাই গ'ল সেয়া সকলোৱে শ্ৰদ্ধাৰে স্মৰণ কৰিব। ভাৰতীয় ধ্ৰুপদী নৃত্যৰ বিশেষজ্ঞ পদ্মশ্ৰী সুনীল কোঠাৰীয়ে আমাৰ সত্ৰীয়া সংস্কৃতিৰ প্ৰসাৰ আৰু প্ৰচাৰত গুৰুত্বপূৰ্ণ অৰিহণা যোগাই গৈছে। সত্ৰীয়া-সংস্কৃতিৰ গৱেষণা আৰু এই বিষয়ত তেখেতে লিখা গ্ৰন্থই আমাৰ সত্ৰীয়া সংস্কৃতিৰ প্ৰসাৰত বিশেষ মাত্ৰা সংযোজন কৰাৰ লগতে অসমৰ সত্ৰীয়া শিল্পীসকলক ৰাষ্ট্ৰীয় পৰ্যায়ত উজলাই তোলাৰ বাবেও অহোপুৰুষাৰ্থ কৰি গৈছে। পদ্মশ্ৰী সুনীল কোঠাৰীক আমাৰ সাংস্কৃতিক জীৱনলৈ আগবঢ়োৱা অনন্য অৱদানৰ বাবে ৰাজ্য চৰকাৰে মাধৱদেৱ বঁটা প্ৰদান কৰিছিল। এইগৰাকী সত্ৰীয়া সংস্কৃতিৰ বিশিষ্ট সাধকৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত সুনীল কোঠাৰীৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ**
**২৭/১২/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in